समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

অৰ্থনীতি বিজ্ঞান

পাঠ - ২

অৰ্থনৈতিক উন্নয়ন

অংশ – ৫

ৰিণা ফুকন

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অনুশীলনী

অতি চমু উত্তৰৰ প্ৰশ্ন —

১। ব্যাখ্যা কৰা (এটা বাক্যত)

ক। অৰ্থনৈতিক বিকাশ

অনুশীলনী

অতি চমু উত্তৰৰ প্ৰশ্ন —

১। ব্যাখ্যা কৰা (এটা বাক্যত)

ক। অৰ্থনৈতিক বিকাশ

উত্তৰঃ অৰ্থনৈতিক বিকাশ হ'ল এটা নির্দিষ্ট সময়ত দেশ এখনত হোৱা উৎপাদিত দ্রব্য তথা দেশ এখনৰ জনমূৰি আয় বৃদ্ধি আৰু জাতীয় আয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

খ। অর্থনৈতিক উন্নয়ন



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

খ। অর্থনৈতিক উন্নয়ন

উত্তৰঃ অর্থনৈতিক উন্নয়ন হৈছে এটা গুণগত ধাৰণা যিটো অর্থনৈতিক বিকাশৰ লগতে গুৰুত্বপূর্ণ ক্ষেত্রসমূহত সাধন হোৱা দীর্ঘম্যাদী সামাজিক দেশ এখনৰ অর্থনৈতিক পৰিৱর্তনসমূহৰ লগত জড়িত। যেনে- সাংস্কৃতিক, স্বাস্থ্য শিক্ষা, ইত্যাদিৰ পৰিবর্তন সম্ভৱ হয় তেনে উন্নয়নকে অর্থনৈতিক উন্নয়ন বোলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

গ। মানৰ উন্নয়ন



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

গ। মানৱ উন্নয়ন

উত্তৰঃ মানৱ উন্নয়ন মানে হ'ল অর্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পছন্দসমূহৰ দৰে জনসাধাৰণৰ সামূহিক উন্নয়ন মাজেদি জীৱন-যাত্ৰাৰ মান বৃদ্ধি হোৱাটো বুজায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

ঘ। অৰ্থনৈতিক পৰিকল্পনা



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

ঘ। অৰ্থনৈতিক পৰিকল্পনা





উত্তৰঃ অৰ্থনৈতিক পৰিকল্পনা হৈছে এছোৱা সময়ৰ ভিতৰত কেতবোৰ সুনিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে এক কেন্দ্ৰীয় পৰিকল্পনা কৰ্তৃপক্ষৰ দ্বাৰা দেশৰ অৰ্থনীতিৰ নিয়ন্ত্ৰণ তথা দিগ দৰ্শন কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

ঙ। গণতান্ত্রিক পৰিকল্পনা



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

ঙ। গণতান্ত্রিক পৰিকল্পনা

উত্তৰঃ গণতান্ত্রিক পৰিকল্পনা হ'ল এনে এক পৰিকল্পনা য'ত পৰিকল্পনাৰ যুগুতকৰণৰ বিভিন্ন পর্যায়ত জনসাধাৰণে সক্রিয়ভাৱে অংশগ্রহণ কৰাৰ সুযোগ লাভ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

চ। উদাৰীকৰণ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

চ। উদাৰীকৰণ

উত্তৰঃ উদাৰীকৰণ মানে হ'ল দেশ এখনৰ আৰ্থিক ব্যৱস্থাৰ ওপৰত থকা ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ শিথিলকৰণ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

ছ। ব্যক্তিগতকৰণ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

ছ। ব্যক্তিগতকৰণ

উত্তৰঃ ব্যক্তিগতকৰণ মানে হৈছে চৰকাৰী নিয়ন্ত্রণত থকা প্রতিষ্ঠানসমূহ ব্যক্তিগত বা বেচৰকাৰী খণ্ডলৈ মুকলি কৰি দিয়া।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

জ। গোলকীকৰণ বা বিশ্বায়ন



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। ব্যাখ্যা কৰা (এটা বাক্যত)

জ। গোলকীকৰণ বা বিশ্বায়ন

উত্তৰঃ গোলকীকৰণ হৈছে দেশ এখনৰ অৰ্থনীতিৰ সৈতে বিশ্বৰ অন্যান্য দেশৰ অৰ্থনীতিৰ সংযোগ স্থাপন বা সংহতি সাধন কৰাটোৱে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

চমু উত্তৰৰ প্ৰশ্ন —

২। অৰ্থনৈতিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ দুটা প্ৰধান পাৰ্থক্য উল্লেখ কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

চমু উত্তৰৰ প্ৰশ্ন —

২। অৰ্থনৈতিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ দুটা প্ৰধান পাৰ্থক্য উল্লেখ কৰা।

উত্তৰঃ

অৰ্থনৈতিক বিকাশ	অৰ্থনৈতিক উন্নয়ন
দেশ এখনৰ উৎপাদিত দ্ৰব্য সেৱা, বিশেষকৈ জনমূৰী আয়ৰ বৃদ্ধি হোৱা।	অৰ্থনৈতিক বিকাশে ধৰি গুৰুত্বপূৰ্ণ ক্ষেত্ৰ সমূহত হোৱা দীঘমীয়াদী অৰ্থনৈতিক তথা সামাজিক পৰিৱৰ্তন।
ই এটা সংখ্যাগত বা পৰিমানগত সীমিত ধাৰণা। এই বিকাশ অৰ্থনৈতিক	ই এটা গুণগত তথা বিস্তাৰিত ধাৰণা।
উন্নয়নৰ সৈতে সংলগ্ন হব পাৰে অথবা নহবও পাৰে।	ই উন্নয়ন সদায় অৰ্থনৈতিক বিকাশৰ সৈতে সংলগ্ন হৈ থাকে।

৩। মানৱ উন্নয়নৰ তিনিটা সূচক কি কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। মানৱ উন্নয়নৰ তিনিটা সূচক কি কি?



উত্তৰঃ

(ক) প্ৰত্যাশিত আয়ুস।

(খ) শিক্ষা বা সাক্ষৰতা।

(গ) জীৱন ধাৰণৰ মান।

৪। সমষ্টিগত পছন্দৰ বিস্তাৰ সাধন হৈছে বুলিলে কি বুজিবা?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। সমষ্টিগত পছন্দৰ বিস্তাৰ সাধন হৈছে বুলিলে কি বুজিবা?

উত্তৰঃ সমষ্টিগত পছন্দৰ বিস্তাৰ সাধন হৈছে মানৱ উন্নয়নৰ প্ৰাথমিক ভিত্তি। জনসাধাৰণৰ পছন্দ হৈছে মানৱ উন্নয়নৰ মধ্যবিন্দু। জনসাধাৰণৰ সমষ্টিগত পছন্দই অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পছন্দক সামৰি লয়। দেশ এখনৰ প্ৰকৃত সম্পদ হ'ল দেশখনৰ জনসাধাৰণ। জনসাধাৰণৰ সমষ্টিগত পছন্দক তিনিটা কাৰকে প্ৰভাৱান্বিত কৰে।

এইকেইটা হলঃ

(ক) প্ৰত্যাশিত আয়ুস।

(খ) সাক্ষৰতা।

(গ) জীৱন ধাৰণৰ মানদণ্ড।



৫। ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ তিনিটা মূল লক্ষ্য উল্লেখ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ তিনিটা মূল লক্ষ্য উল্লেখ কৰা।

উত্তৰঃ ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ তিনিটা মূল লক্ষ্য হলঃ

(ক) অৰ্থনৈতিক উন্নয়নৰ হাৰ ক্ষীপ্ৰতৰ কৰা।

(খ) নিয়োগৰ সা-সুবিধা বৃদ্ধি কৰা।

(গ) দৰিদ্ৰতা নিৰ্মূল কৰা।

(ঘ) আঞ্চলিক বৈষম্য দূৰ কৰা।

(ঙ) আৰ্থ-সামাজিক বৈষম্য দূৰ কৰা।

৬। NITI আয়োগৰ সদস্যসকল কোন কোন?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। NITI আয়োগৰ সদস্যসকল কোন কোন?

উত্তৰঃ (ক) নিটি আয়োগৰ অধ্যক্ষ হ'ল প্রধানমন্ত্রী।

(খ) প্রধানমন্ত্রীৰ দ্বাৰা নিযুক্ত দিয়া উপাধ্যক্ষ।

(গ) নিজৰ নিজৰ ক্ষেত্রত দক্ষতাসম্পন্ন তিনিগৰাকী পূর্ণকালীন সদস্য।

(ঘ) দুগৰাকী অংশকালীন সদস্য।

(ঙ) চাৰিগৰাকী কেন্দ্রীয় মন্ত্রী সদস্য হিচাপে নিযুক্ত।

(চ) মুখ্য কার্যবাহী বিষয়া হিচাপে নিযুক্ত এজন ভাৰতীয় প্রশাসনিক বিষয়া।

(ছ) পৰিচালনা পৰিষদৰ সদস্য হিচাপে আছে প্ৰতিখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ উপ– ৰাজ্যপালসকল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —

৭। ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ প্ৰথমছোৱা (১৯৫১-১৯৯১) আৰু দ্বিতীয়ছোৱা (১৯৯১ৰপৰা বৰ্তমানলৈ) ৰ মাজত থকা এটা মূল পাৰ্থক্য ব্যাখ্যা কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —

৭। ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ প্ৰথমছোৱা (১৯৫১-১৯৯১) আৰু দ্বিতীয়ছোৱা (১৯৯১ৰপৰা বৰ্তমানলৈ) ৰ মাজত থকা এটা মূল পাৰ্থক্য ব্যাখ্যা কৰা।

উত্তৰঃ ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ প্ৰথমছোৱা আৰু দ্বিতীয়ছোৱাৰ মাজত থকা এটা মূল পাৰ্থক্য হ'ল- ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক

উন্নয়নৰ প্ৰথমছোৱা (১৯৫১-৫২ ৰ পৰা ১৯৯০-৯১) ত ৰাজহুৱা খণ্ডই ভাৰতীয় অৰ্থনীতিত মুখ্য ভূমিকা পালন কৰিছিল। কিন্তু ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ দ্বিতীয়ছোৱা (১৯৯১-১২ চনৰ পৰা বৰ্তমানলৈ) সময়ত ৰাজহুৱা খণ্ডৰ ভূমিকা যথেষ্ট পৰিমাণে হ্ৰাস হ'বলৈ ধৰে আৰু উদাৰীকৰণ, ব্যক্তিগতকৰণ তথা গোলকীকৰণ আদিৰ দৰে নতুন ধাৰণাসমূহে গতি লাভ কৰিবলৈ ধৰে।

এই সময়ছোৱাত ভাৰতীয় অৰ্থনীতিৰ মূল লক্ষ্য আছিল-

(ক) অৰ্থনৈতিক উন্নয়নৰ হাৰ ক্ষীপ্ৰ কৰি তোলা।

(খ) আধুনিক প্ৰযুক্তি বিদ্যা প্ৰয়োগৰ ওপৰত গুৰুত্ব প্ৰদান কৰা।

(গ) আত্মনিৰ্ভৰশীলতা অৰ্জন কৰা।

(ঘ) সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা।

৮। ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ তিনিটা মূল কাৰণ চমুকৈ ব্যাখ্যা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ তিনিটা মূল কাৰণ চমুকৈ ব্যাখ্যা কৰা।

উত্তৰঃ ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ তিনিটা প্ৰধান কাৰণ হৈছেঃ

(ক) ৰাজহ ঘাটি :- বিত্তীয় ঘাটি হৈছে এটা অৰ্থনৈতিক পৰিঘটনা যত চৰকাৰী ব্যয় বৃদ্ধিৰ হাৰতকৈ চৰকাৰী আয় বৃদ্ধি কম হয়। ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ প্ৰথমছোৱাত ভাৰতীয় অৰ্থনীতিয়ে বৃহৎ বিত্তীয় ঘাটিৰ সন্মুখীন হ'বলগীয়া হৈছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

এই সময়ত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল। প্ৰায়বোৰ উদ্যোগেই লোকচান ভৰিবলগীয়া হৈছিল।

(খ) মুদ্রাস্ফীতি :- প্ৰাক্ - অৰ্থনৈতিক সংস্কাৰৰ সময়ছোৱাত ভাৰতীয় অৰ্থনীতি মুদ্রাস্ফীতিৰ বাবে অতি গভীৰভাৱে ক্ষতিগ্ৰস্ত হৈছিল। মুদ্রাস্ফীতিৰ উচ্চ হাৰে সামাজিক তথা আৰ্থিকভাৱে পিছপৰা সীমিত উপাৰ্জনকাৰী লোকসকলৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাইছিল।

(গ) পৰিশোধৰ ধনৰ ভাৰসাম্যতা :- ৮০ দশকৰ পৰা ভাৰতৰ বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত পৰিশোধৰ ধনৰ ভাৰসাম্যতাত ব্যাঘাত জন্মিছিল। ভাৰতীয় অৰ্থনীতিত আমদানিতকৈও ৰপ্তানিৰ পৰিমাণ কমি যোৱাৰ ফলত ভাৰতীয় অৰ্থনীতিলৈ বিদেশী মুদ্ৰাৰ পৰিমাণ কমি গৈছিল। মূলধনৰ প্ৰৱাহত ভাৰসাম্যতাহীনতাই ভাৰতৰ বৈদেশিক বাণিজ্য ঘাটিৰ পৰিমাণ উদ্বেগজনকভাৱে বৃদ্ধি কৰিছিল।

এনে এক পটভূমিতেই সেই সময়ৰ পি, ভি, নৰসিংহ ৰাওৰ নেতৃত্বাধীন কেন্দ্রীয় চৰকাৰে অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচী প্ৰৱৰ্তন কৰিলে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। অর্থনৈতিক সংস্কাৰৰ তিনিটা সুফল উল্লেখ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। অৰ্থনৈতিক সংস্কাৰৰ তিনিটা সুফল উল্লেখ কৰা।

উত্তৰঃ অৰ্থনৈতিক সংস্কাৰৰ তিনিটা সুফল-

(ক) অৰ্থনৈতিক উন্নয়নৰ হাৰ :- অৰ্থনৈতিক সংস্কাৰৰ প্ৰৱৰ্তনৰ পূৰ্বে ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ বাৰ্ষিক হাৰ আছিল ৩.৫ শতাংশ। প্ৰকৃততে ২০০৫-০৬, ২০০৬-০৭ আৰু ২০০৭-০৮ চনত বাৰ্ষিক উন্নয়নৰ হাৰ আছিল যথাক্ৰমে ৯.৫ শতাংশ, ৯.৭ শতাংশ আৰু ৯.২ শতাংশ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৯৫১ চনৰেপৰা এতিয়ালৈকে ভাৰতীয় অৰ্থনীতিৰ উন্নয়নৰ হাৰে পূৰ্বে এই উচ্চতা স্পৰ্শ কৰিব পৰা নাছিল। ২০০৯-১০ চনৰপৰা ২০১২-১৩ চনলৈ গড় হিচাপত বাৰ্ষিক উন্নয়নৰ হাৰ আছিল ৬.৭ শতাংশ। শেহতীয়া অৰ্থনৈতিক সমীক্ষা অনুসৰি ২০১৩-১৪ চনত বাৰ্ষিক উন্নয়নৰ হাৰ আছিল ৭.২ শতাংশ।

(খ) পাইকাৰী মূল্যৰ হ্ৰাস কৰা :- অৰ্থনৈতিক সংস্কাৰোত্তৰ সময়ছোৱাত পাইকাৰী মূল্যসূচী হ্ৰাস হৈছে। অৱশ্যে খুচুৰা মূল্যসূচী একে হাৰত হ্ৰাস হোৱা নাই।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) বৈদেশিক বিনিময়যোগ্য মুদ্রাৰ পৰিমাণত হোৱা বৃদ্ধি :- ভাৰতত ১৯৯০-৯১ বৰ্ষত ৰিজাৰ্ভ বেংকত জমা থকা বৈদেশিক বিনিময়যোগ্য মুদ্রাৰ পৰিমাণ তেনেই কম আছিল যাৰ দ্বাৰা কেৱল ১৫ দিনৰ আমদানি কাৰ্যহে সম্পাদন কৰা সম্ভৱ আছিল। কিন্তু ২০১৫ চনৰ মাৰ্চত এই পৰিমাণ বৃদ্ধি হৈ ৩২৮.৭ বিলিয়ন ডলাৰ হৈছে, যিয়ে পৰৱৰ্তী ৭মাহৰ আমদানিৰ মূল্য সামৰি লৈছে। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় বেংক ৰিজাৰ্ভ বেংকত জমা হোৱা বৈদেশীক বিনিময়যোগ্য মুদ্রাৰ পৰিমাণ বৃদ্ধি হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ ফলত সৃষ্টি হোৱা দুটা অসুবিধা চমুকৈ ব্যাখ্যা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ ফলত সৃষ্টি হোৱা দুটা অসুবিধা চমুকৈ ব্যাখ্যা কৰা।

উত্তৰঃ ভাৰতত অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ ফলত সৃষ্টি হোৱা দুটা অসুবিধাসমূহ হৈছেঃ

(ক) সীমিত ক্ৰয় ক্ষমতা :- অৰ্থনৈতিক সংস্কাৰে প্ৰতিযোগিতাৰ প্ৰসাৰ আৰু তীব্ৰতা দুয়োটাই বৃদ্ধি কৰিছে। কিন্তু ক্ৰয় ক্ষমতাৰ নাটনিৰ বাবে সাধাৰণ জনগণই এইধৰণৰ সুবিধাসমূহ গ্ৰহণ কৰিব পৰা নাই। চৰকাৰী সাহায্য হ্ৰাস পোৱা বাবে উৎপাদন মূল্যও বৃদ্ধি পাইছে।

(খ) গোলকীকৰণৰ ব্যৱস্থাপনা:- যোৱা কেইবছৰত গোলকীকৰণৰ ব্যৱস্থাপনাৰ প্ৰয়োজন অনুভৱ কৰা হৈছে। কাৰণ গোলকীকৰণৰ ফলত স্থানীয় উদ্যোগসমূহ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। কোনো ধৰণৰ পৰিস্থিতিতেই গোলকীকৰণ আৰু জাতীয় স্বাৰ্থৰ পাৰস্পৰিক সংঘৰ্ষ হ'ব নালাগিব।

১১। অসমৰ চলিত পঞ্চবার্ষিক পৰিকল্পনাৰ ছটা প্ৰধান লক্ষ্য উল্লেখ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। অসমৰ চলিত পঞ্চবার্ষিক পৰিকল্পনাৰ ছটা প্ৰধান লক্ষ্য উল্লেখ কৰা।

উত্তৰঃ অসমৰ চলিত পঞ্চবার্ষিক পৰিকল্পনাৰ প্ৰধান লক্ষ্যসমূহ হলঃ

(ক) ভাৰতীয় ৰাজ্যসমূহৰ দেশৰ উন্নতি উন্নত ৰাজ্যসমূহৰ সম পর্যায়লৈ আহিবলৈ অহা দুই-তিনিটা দশকৰ ভিতৰত অসমৰ উন্নয়নৰ হাৰ ১০ শতাংশলৈ বৃদ্ধি কৰা।

(খ) দৰিদ্ৰতা দূৰ কৰিবৰ উদ্দেশ্যৰে বিভিন্ন আঁচনি গ্ৰহণ কৰা।

(গ) প্রযুক্তিবিদ্যা আৰু বিজ্ঞানসম্মত ব্যৱস্থাপনাৰ জৰিয়তে বানপানী আৰু গৰাখহনীয়াৰ সমস্যা সমাধান কৰা।

(ঘ) কৃষিখণ্ডৰ বাৰ্ষিক উন্নয়নৰ হাৰ ৬ শতাংশৰ পৰা ৮ শতাংশলৈ বৃদ্ধি কৰা।

(ঘ) কৃষিখণ্ডৰ বাৰ্ষিক উন্নয়নৰ হাৰ ৬ শতাংশৰ পৰা ৮ শতাংশলৈ বৃদ্ধি কৰা।

(ঙ) শক্তি উৎপাদনত আত্মনির্ভৰশীলতা অৰ্জনৰ লগতে শক্তি পৰিবহণ তথা বিতৰণৰ ক্ষেত্ৰত আধুনিক প্রযুক্তিবিদ্যাৰ প্রয়োগ কৰা।

(চ) স্বাস্থ্য তথা শিক্ষা খণ্ডত বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰাৰ দ্বাৰা অসমৰ মানৰ উন্নয়নৰ সূচাংকৰ মান বৃদ্ধি কৰা। দক্ষতা বৃদ্ধিৰ আঁচনিৰ জৰিয়তে স্ব-নিয়োগৰ বাট মুকলি কৰা।

